# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰত আৰু লাওই প্ৰতিৰক্ষা সহযোগিতা, সীমাশুল্ক, দৃশ্য-শ্ৰব্য আৰু ঐতিহ্য সংৰক্ষণকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ছখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

২। নতুন দিল্লী মহলে ভিয়েনটাইনত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনা হোৱা বুলি কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোই কৰা দাবীক অগ্ৰাহ্য কৰিছে।

৩। দেশৰ বিভিন্ন অংশত আজি বিজয়া দশমী বা দশেৰা পালন কৰা হৈছে।

৪। বি চি চি আইয়ে নিউজিলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় দল ঘোষণা কৰিছে।

*আৰু*

৫। ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব।

00000

ভাৰত আৰু লাও গণতান্ত্ৰিক গণৰাজ্যই কালি প্ৰতিৰক্ষা সহযোগিতা, সীমাশুল্ক, দৃশ্য-শ্ৰব্য আৰু ঐতিহ্য সংৰক্ষণকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ছখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ভাৰতে লগতে ভাৰত ৰাষ্ট্ৰসংঘ উন্নয়ন সহযোগিতা পুঁজিৰ জৰিয়তে লাওৰ পৰিপুষ্টি সুৰক্ষা উন্নীতকৰণৰ এটা প্ৰকল্পলৈ ১০ লাখ ডলাৰৰ বিত্তীয় সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। লাওৰ ৰাজধানী ভিয়েনটাইনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লাও গণতান্ত্ৰিক গণৰাজ্যৰ প্ৰধানমন্ত্ৰী চোনেক্সায় ছিফাণ্ডোনৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তিকেইখন সম্পাদিত হয়।

00000

ভাৰতে লাও গণতান্ত্ৰিক গণৰাজ্যৰ ৰাজধানী ভিয়েনটাইনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনা হোৱা বুলি কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোই কৰা দাবীক অগ্ৰাহ্য কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে দুয়োগৰাকী নেতাৰ মাজত কোনো ধৰণৰ  গভীৰ আলোচনা হোৱা নাই।

ভাৰতে কানাডাত অব্যাহত থকা খালিস্তানী গতিবিধিক লৈ উদ্বেগ প্ৰকাশ কৰিছে আৰু হিংসা, সন্ত্ৰাসবাদ আৰু উগ্ৰবাদৰ প্ৰসাৰৰ সৈতে জড়িতসকলৰ বিৰুদ্ধে নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ভাৰতে কানাডাৰ সৈতে থকা নিজৰ সম্পৰ্কক সন্মান কৰে যদিও এই সম্পৰ্ক শক্তিশালী কৰাৰ বাবে কানাডা চৰকাৰে ভাৰত বিৰোধী

কাম-কাজৰ সৈতে জড়িত ব্যক্তি আৰু গোটসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলি নতুন দিল্লী মহলে স্পষ্ট কৰি দিছে।

০০০০০

আজি বিশ্ব Arthritis বা বাত বিষ দিৱস। বাতবিষ জনিত পেশী- কংকালৰ সমস্যা আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে সজাগতা সৃষ্টি কৰাই হৈছে এই দিৱস পালনৰ মূল উদ্দেশ্যে। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- *Informed Choices, Better Outcomes*।

আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত এইমছৰ বাত বিষ বিভাগৰ মুৰববী চিকিৎসক ডাঃ উমা কুমাৰে বাত বিষ উপযুক্ত চিকিৎসাৰ বাবে চিনাক্তকৰণৰ গুৰুত্ব প্ৰদান কৰিছে। সামাজিক মাধ্যমত লাভ কৰা তথ্যৰ জৰিয়তে চিকিৎসা নকৰিবলৈও তেওঁ আহ্বান জনায়। ধূপপান, মেদবহুলতাৰ লগতে চিকিৎসাৰ একাধিক বিকল্পৰ দৰে বিপদজ্জনক কাৰকসমূহৰ ওপৰতো ডাঃ কুমাৰে আলোকপাত কৰে।

০০০০০

বাণিজ্য আৰু উদ্যোগমন্ত্ৰী পীয়ুষ গোৱেলে পাৰস্পৰিক বুজাপৰা আৰু সহযোগিতাৰে ভাৰত আৰু ইউৰোপৰ মাজৰ ব্যৱসায় যথেষ্ট বৃদ্ধি কৰিব পৰা যায়। নতুন দিল্লীত কালি ইউৰোপীয় ব্যৱসায় সংঘৰ শুভাৰম্ভ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীগোৱেলে কয় যে, বিশ্ব প্ৰতিশোধৰ সিদ্ধান্তৰে কাম কৰিব নোৱাৰে বৰং পাৰস্পৰিক সহযোগিতাৰে বিভিন্ন সমস্যাৰ সমাধান উলিয়াব লাগিব। তেওঁ লগতে ইউৰোপীয় সংঘৰ নীতি আৰু নিৰ্বনানীকৰণ, কাৰ্বন সীমা, সংযোজন তন্ত্ৰৰ সৈতে জড়িত কাম-কাজে ভাৰতীয় উদ্যোগৰ ওপৰত প্ৰভাৱ পেলাইছে। ইউৰোপীয় সংঘৰ সৈতে মুক্ত বাণিজ্য চুক্তি সম্পৰ্কীয় আলাপ-আলোচনা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে, ইউৰোপীয় দেশসমূহ জীৱন্ত গণতন্ত্ৰ, আইনৰ শাসন, বৈচিত্ৰ্যপূৰ্ণ জনগাঁথনি আৰু সুস্থিৰতা তথা বিকাশৰ আশ্বাস প্ৰদান কৰা নিৰ্ণায়ক নেতৃত্বৰ বাবে ভাৰতৰ প্ৰতি আকৰ্ষিত হয়।

০০০০০

প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ ঃ মুফ্‌ট বিজুলী যোজনাৰ অধীনত নতুন আৰু নবীকৰণ যোগ্য কেন্দ্ৰীয় শক্তি মন্ত্ৰ্যালয়ে উদ্ভাৱনী প্ৰকল্প ৰূপায়ণৰ বাবে আঁচনিৰ নিৰ্দেশনা প্ৰদান কৰিছে। আঁচনিৰ উদ্ভাৱনী প্ৰকল্পৰ অধীনত চাদৰ ওপৰত সৌৰ প্ৰযুক্তি, ব্যৱসায়িক আৰ্হি আৰু সংহত কৌশলৰ উন্নতিৰ বাবে উৎসাহিত কৰিবলৈ ৫০০ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। এই ধনৰাশিৰে ষ্টাৰ্ট আপসমূহক সমৰ্থন যোগোৱাৰ লগতে প্ৰতিষ্ঠান আৰু উদ্যোগসমূহক চিনাক্ত তথা সমৰ্থন কৰা আৰু বৈদ্যুতিক বাহন আৰু বেটাৰী সংৰক্ষণৰ সৈতে সংযুক্ত চাদৰ ওপৰত সৌৰশক্তিৰ দৰে সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰ্যালয়ে কয় যে, ৰাষ্ট্ৰীয় সৌৰশক্তি প্ৰতিষ্ঠানে উদ্ভাৱনীমূলক প্ৰকল্প উপাদানৰ বাবে আঁচনি ৰূপায়ণৰ সংস্থা হিচাপে কাম কৰিব। নিৰ্বাচিত প্ৰকল্পসমূহে প্ৰকল্প ব্যয়ৰ ৬০ শতাংশ বা ৩০ কোটি টকা পৰ্যন্ত আৰ্থিক সাহায্য লাভ কৰিব, যিটো দৰাচলতে কম হ'ব। কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ ঃ মুফ্‌ট বিজুলী যোজনাত অনুমোদন জনাইছিল, যাতে সৌৰ চাদৰ ক্ষমতা বঢ়াই আৱাসিক পৰিয়ালসমূহত নিজাববীয়াকৈ বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম কৰি তুলিব পাৰে।

০০০০০

দেশৰ বিভিন্ন অংশত আজি বিজয়া দশমী বা দশেৰা পালন কৰা হৈছে। ভগৱান ৰামৰ ৰাৱণৰ বিৰুদ্ধে জয়ৰ স্মৃতিত পালন কৰা এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভশক্তিৰ বিজয়ৰ প্ৰতীক।  এই উৎসৱে নৱৰাত্ৰি আৰু শাৰদীয় দুৰ্গোৎসৱৰো সামৰণি পৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিজয়া দশমী উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তা যোগে কৈছে যে, এই উৎসৱে অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ বিজয়ৰ কথাকে সূচায়। তেওঁ কয় যে, এই উৎসৱৰ সৈতে মৰ্যাদা, কৰ্তব্য পৰায়নতা, সদাচাৰ, বিনয় আৰু সাহসিক সংঘৰ্ষৰ ভালেমান প্ৰেৰণাদায়ক কাহিনী জড়িত হৈ আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে আস্থাৰ এই উৎসৱে সকলোৰে জীৱনলৈ সাফল্য, সংমৃদ্ধি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

ooooo

যোৱানিশা দক্ষিণ ৰে'লৱেৰ চেন্নাই সংমণ্ডলৰ গুম্মীডিপুণ্ডিৰ সমীপৰ কাউৰাপেট্টাইত সামগ্ৰী কঢ়িওৱা ৰে'লৰ খুন্দাত মহিশূৰ-দ্বাৰভাংগা বাগমতি এক্সপ্ৰেছ ৰে'লগাড়ীখন ৰে'ল লাইনৰ পৰা আঁতৰি পৰে। ইয়াৰ ফলত কমেও ১২টাৰ পৰা ১৩টা ডবা লাইনচ্যুত হয়। এই ঘটনাত হতাহতৰ কোনো খবৰ অহা নাই যদিও কেইবাজনো লোক আহত হৈছে। আহত লোকসকলক ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

দক্ষিণ ৰে'লৱেৰ সূত্ৰ মতে, চেন্নাইৰ ওচৰৰ প'নেৰী পাৰ হৈ যোৱাৰ পিছত এক্সপ্ৰেছ ৰে'লগাড়ীখনে তীব্ৰ জোকাৰণিৰ সন্মুখীন হৈ লুপ লাইনক প্ৰৱেশ কৰে আৰু তাত পূৰ্বৰে পৰা থকা মালবাহী ৰে'ল এখনত খুন্দা মাৰে। এই সংঘৰ্ষৰ ঘটনাত সাহায্য আৰু উদ্ধাৰ অভিযান চলোৱাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৩০ জন জোৱান নিয়োজিত কৰা হৈছে। জিলা আয়ুক্তই এই ঘটনাৰ যিকোনো সাম্ভাব্য জৰুৰীকালীন পৰিস্থিতি চম্ভালিবৰ বাবে ওচৰৰ চিকিৎসালসমূহো সাজু কৰি ৰাখিবলৈ হাই এলাৰ্ট জাৰি কৰিছে। ৰে'ল কৰ্তৃপক্ষই বৰ্তমান ঘটনাটোৰ তদন্ত কৰি পৰিস্থিতি মূল্যায়ন কৰি আছে। এই ঘটনাত ৰে'লৰ চলাচলত বিৰূপ প্ৰভাৱ পৰিছিল যদিও কৰ্তৃপক্ষই যাত্ৰীসকলৰ পৰিবহণৰ বিকল্প ব্যৱস্থাৰ দিহা কৰিছে। দক্ষিণ ৰে'লৱেৰ চেন্নাই সংমণ্ডলে এই ঘটনাৰ তথ্য জনোৱাৰ উদ্দেশ্যে কেইবাটাও জৰুৰীকালীন হেল্পলাইন নম্বৰ প্ৰদান কৰিছে। নম্বৰ কেইটা হ'ল ঃ 044-25354151 আৰু 044-24354995. Samastipur - 06274 -81029188, Darbhanga- 06272 - 8210335395, Deendayal Upadhyaya Junction - 7525039558

ooooo

নিউজিলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া তিনিখনীয়া টেষ্ট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় ক্ৰিকেট দল ঘোষণা কৰা হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আইৰ সম্পাদক জয় শ্বাহে কালি এখন বিজ্ঞপ্তিৰ জৰিয়তে ৰোহিত শৰ্মাই ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব বুলি ঘোষণা কৰে। বিজ্ঞপ্তি অনুসৰি আগশাৰীৰ বেগী বলাৰ যশপ্ৰীত বুমৰাহ দলৰ উপ অধিনায়ক হ'ব। যোৱাবছৰ এদিনীয়া বিশ্বকাপৰ সময়ত আঘাতপ্ৰাপ্ত মহম্মদ স্বামীক এই শৃংখলাৰ বাবে বাছনি কৰা হোৱা নাই। বেংটিংক্ৰম বাংলাদেশৰ বিৰুদ্ধে বাছনি কৰা দলৰ দৰেই ৰখা হৈছে। বিৰাট কোহলি, কে এল ৰাহুল আৰু ছৰফৰাজ খানক দলৰ অন্তৰ্ভুক্ত কৰা হৈছে। স্পিন বলাৰৰ আধিপত্য থকা দলটোত ৰবীচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল আৰু কুলদ্বীপ যাদৱক স্থান দিয়া হৈছে। শৃংখলাৰ প্ৰথমখন খেল বাংগালুৰুত অনুষ্ঠিত হ'ব। ভাৰত সম্প্ৰতি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত পইণ্ট তালিকাত শীৰ্ষত আছে। ইয়াৰ বিপৰীতে ২০২১ বৰ্ষত এই প্ৰতিযোগিতাৰ খিতাপ দখল কৰা নিউজিলেণ্ড ষষ্ঠ স্থানত আছে।  ৰোহিতা শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে এই

শৃংখলাত জয় লাভ কৰি ডিচেম্বৰ-জানুৱাৰীত আৰম্ভ হ'বলগীয়া গুৰুত্বপূৰ্ণ অষ্ট্ৰেলিয়া ভ্ৰমণৰ পূৰ্বে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত দলৰ স্থান সুদৃঢ় কৰাৰ বাবে চেষ্টা চলাব।

০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাত ২-০ ফলাফলত আগবাঢ়ি থকা ভাৰতীয় দলে আজি খেলখনত জয়লাভ কৰি জয়ৰ ধাৰা অক্ষুন্ন ৰখা আৰু বাংলাদেশৰ বিৰুদ্ধে আটাইকেইখন খেলতে জয়লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰাৰ চেষ্ট চলাব। ভাৰতে দিল্লীত অনুষ্ঠিত দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত বিজয় সাব্যস্ত কৰিছে।

০০০০০

যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াই যোৱানিশা ডুবাইত অনুষ্ঠিত  মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত পাকিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আৰম্ভণিতেই শ'লঠেকত পৰে আৰু ১৯ অভাৰ আৰু ৫টা বলত মাত্ৰ ৮২ ৰানতে আটাইকেইটা উইকেট হেৰুৱাই। অষ্ট্ৰেলিয়াৰ হৈ এশ্লে গাৰ্ডনাৰে চাৰিটা উইকেট দখলৰ কৰাৰ বিপৰীতে জৰ্জিয়া ৱেয়ৰহমে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই মাত্ৰ ১১ অভাৰত এটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। অষ্ট্ৰেলিয়াৰ অধিনায়ক এলিছা হোলিয়ে ৩৭ ৰান আৰু এলিছ পেৰীয়ে ২২ ৰান কৰে। এশ্লে গাৰ্ডনাৰক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। পাকিস্তান দলৰ অধিনায়ক ফাটিমা ছানাই কালি খেলখনত অংশগ্ৰহণ কৰা নাছিল। দেউতাকৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত ছানা ঘৰলৈ উভতি গৈছে। ভাৰত কাইলৈ গ্ৰুপ পৰ্যায়ত নিজৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াৰ সন্মুখীন হ'ব।

০০০০০

**সমাপ্ত**